### শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ উদ্যোগ

# বেংককত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ সামৰণি

**প্ৰতিবেদক, নামতি, ১ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নামতিস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ উদ্যোগত আৰু থাইলেণ্ডৰ বেংককত অৱস্থিত ইণ্টাৰনেশ্যনেল ইনষ্টিটিউট অৱ পীছ এণ্ড ডেভলপমেণ্ট ষ্টাডিজৰ (IIPDS) সহযোগত অনুষ্ঠিত হোৱা 'পলিটিক্‌ছ অৱ আইডেনটিটি ইন গ্ল'বেলাইজড ৱৰ্ল্ড ঃ এটথনিছিটি, নেছনিলিজিম এণ্ড বিলংগিংনেছ' শীৰ্ষক *৮ পৃষ্ঠাত*

# বেংককত আন্তঃৰাষ্ট্ৰীয়

আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ সফল সামৰণি পৰে। ২৩ৰ পৰা ২৫ জুলাইলৈ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই আলোচনা-চক্ৰত বিশ্বৰ বিভিন্ন প্ৰান্তৰ অধ্যাপক, গৱেষকে অংশগ্ৰহণ কৰে। ২৩ জুলাই পুৱা ৮.৪৫ বজাত সৰ্বধৰ্মৰ প্ৰাৰ্থনাৰে উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণি হয়। এই অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে আই আই পি ডি এছৰ অভিভাৱক সংস্থা এছিয়ান ৰিছাৰ্চ ফাউণ্ডেশ্যনৰ মুৰব্বী তথা ইণ্ডোনেছিয়াৰ ইউনিভাৰ্ছিটিয়াজ ইছলাম নেগেৰিৰ প্ৰফেচাৰ কামাৰুজ জামানে। উদ্বোধনী ভাষণ আগবঢ়ায় আইআইপি ডি এছৰ মুৰব্বী এম এ চবুৰে। বীজ ভাষণ প্ৰদান কৰে বিশিষ্ট লেখক তথা ম্যানমাৰৰ আল-আজহা ইউনিভাৰ্ছিটিৰ প্ৰফেচাৰ ড° ম্যিণ্ট থেইনে। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বাংলাদেশৰ গ্ল'ৱেল ইউনিভাৰ্ছিটিৰ উপাচাৰ্য আনিউজ জামানে। বিশেষ বক্তৃতা প্ৰদান কৰে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেচৰ ক্ৰিয়েংছাক শ্বাৰেয়নওৰুনছাকে। অনুষ্ঠানটি আঁত ধৰে আলোচনা-চক্ৰৰ সমন্বয়ক তথা শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° শ্বাহীউজ জামান আহমেদে। ১০ বজাৰ পৰা আলোচনা-সত্ৰসমূহ অনুষ্ঠিত হয়। ৯ খন আলোচনা সত্ৰত প্ৰায় ১০০ খন গৱেষণা-পত্ৰ পাঠ কৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ অধ্যাপক আৰু গৱেষকসকলে। আলোচনা সত্ৰসমূহ সঞ্চালনাৰ দায়িত্বত থকা বিশিষ্ট ব্যক্তিসকল হ'ল— ক্ৰমে পাঞ্জাৱ ইউনিভাৰ্ছিটিৰ প্ৰাধ্যাপক আশ্বু পাচৰিশ্বা, ইণ্ডোনেছিয়াৰ মাতাৰাম ইউনিভাৰ্ছিটিৰ প্ৰাধ্যাপক ড° মেগা নিচফা মাখ্ৰজা, ইণ্ডোনেছিয়াৰ ইউনিভাৰ্ছিটিয়াজ ইছলাম ইন্টাৰনেশ্যনেলৰ প্ৰাধ্যাপক ড° ৰিড্ৱান, বেংককৰ আই আই পি ডি এছৰ মুৰব্বী এম এ চবুৰ, মুম্বাইৰ আৰ আৰ অৰ্ট'ন মাছ কলেজৰ প্ৰাধ্যাপক ভৈভাবি পালচুলে, বাংলাদেশৰ গ্ল'ৱেল ইউনিভাৰ্ছিটিৰ উপাচাৰ্য আনিউজ জামান, লখিমপুৰ কমাৰ্চ কলেজৰ অধ্যক্ষ ড° লোহিত হাজৰিকা, শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° শ্বাহীউজ জামান আহমেদ আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° নীলাক্ষি ফুকন বৰগোহাঁই। আলোচনা-চক্ৰখনত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° নীলাক্ষি ফুকন বৰগোহাঁই, আলোচনা-চক্ৰৰ সমন্বয়ক তথা ইতিহাস বিভাগৰ অধ্যাপক ড° শ্বাহীউজ জামান আহমেদ, গ্ৰন্থাগাৰিক বিদ্যুৎ বিকাশ বৰুৱা, শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক বিনীতা তামুলী, অসমীয়া বিভাগৰ অধ্যাপক জ্যোতি গগৈ, নীলাক্ষি শইকীয়া, ড° মৌচুমী ৰেখা খাউণ্ড, ড° বুলবুলি বৰগোহাঁই, সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড° পাওচুন টুৰৈ, ভূগোল বিভাগৰ অধ্যাপক ড° বিজাতা দাস, কস্তুৰী বৰকটকী, শিল্পী শিখা হাজৰিকা আৰু অৰ্থনীতি বিভাগৰ অধ্যাপক নেহা কৰ, অনিতা ৰংহাংপীয়ে গৱেষণা-পত্ৰ পাঠ কৰে। সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক কাৰ্যসূচীত অসমৰ অংশগ্ৰহণকাৰীসকলে বিহুনৃত্য পৰিৱেশন কৰে।